যোগান ধৰা তথ্যপাতিসমূহ নিভুল আৰু শুদ্ধ হোৱাটো উচিত।

৯। **সম্পূৰ্ণতা (Integrity) ঃ** এখন বাজেটত কিছুমান ৰাজকোষীয় আঁচনি অন্তৰ্ভুক্ত আৰু প্ৰণয়নৰ ব্যৱস্থা কৰা হয়। উৎকৃষ্ট বাজেটে উক্ত আঁচনিসমূহ ফলপ্ৰসূ ৰূপায়ণৰ অৰ্থে ব্যৱস্থা গ্ৰহণৰ নিশ্চয়তা প্ৰদান কৰাতো উচিত।

## চৰকাৰী বাজেটৰ প্ৰকাৰ (Types of Public Budget)

এখন দেশৰ অৰ্থনৈতিক নীতিৰ লক্ষ্যসমূহ পৰিপূৰণৰ উপায় হিচাপে চৰকাৰী বাজেটৰ তাৎপৰ্য সৰ্বাধিক। চৰকাৰী বাজেটৰ মাধ্যমত ঘটা পুঁজিৰ প্ৰবাহে সমুদায় অৰ্থনীতিৰ কাম-কাজৰ ওপৰত অতি উল্লেখযোগ্য প্ৰভাৱ বিস্তাৰ কৰে। বাজেট প্ৰক্ৰিয়াৰ মাধ্যমত চৰকাৰে সম্পাদন কৰা কাম-কাজসমূহে ৰাষ্ট্ৰীয় অৰ্থনীতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ কাৰণে বাজেটত অন্তৰ্ভুক্ত চৰকাৰৰ আয় আৰু ব্যয়ৰ বিষয়সমূহ প্ৰণালীবদ্ধভাৱে গঠন কৰাটো প্ৰয়োজন হয়। বাজেটৰ প্ৰণালীবদ্ধ গঠনৰ ব্যৱস্থাই ইয়াৰ শ্ৰেণীবিভাজনৰ

প্ৰয়োজনীয়তাৰ বিষয়ে নিৰ্দেশ দিয়ে। বাজেটৰ শ্ৰেণীবিভাজনে বাজেট সম্পৰ্কীয় পদ্ধতিৰ কাম-কাজসমূহৰ বিষয়ে তথ্যপাতিৰ যোগান ধৰে। অৱশ্যে বাজেট প্ৰক্ৰিয়াত অসংখ্য কাম-কাজ আৰু লক্ষ্য অন্তৰ্ভুক্ত হোৱাৰ কাৰণে ইয়াৰ বিভিন্ন প্ৰকাৰৰ শ্ৰেণীবিভাজনৰ প্ৰয়োজন হয়। বাজেটত অন্তৰ্ভুক্ত পুঁজিৰ ব্যৱহাৰৰ উদ্দেশ্য, আঁচনিসমূহৰ পৰিচালনা আৰু পৰ্যালোচনাৰ ব্যৱস্থা, বিত্তীয় আৰু অৰ্থনৈতিক বিশ্লেষণ ইত্যাদিৰ ভিত্তিত বাজেটক কেইবাপ্ৰকাৰেৰে শ্ৰেণীবিভাজন কৰা হয়। তলত বিভিন্ন প্ৰকাৰৰ বাজেটৰ বিষয়ে আলোচনা কৰা হৈছে।

**১। ৰাজহ আৰু মূলধনী বাজেট (Revenue and Capital Budget) ঃ** এখন বাজেটত অন্তৰ্ভুক্ত হোৱা হিচাপসমূহক চলিত বা ৰাজহ হিচাপ আৰু মূলধনী হিচাপত ভাগ কৰাৰ ব্যৱস্থা পৃথিৱীৰ কিছুমান দেশত প্ৰৱৰ্তন কৰা হৈছে। ৰাজহ বা চলিত বাজেটত চৰকাৰৰ চলিত বিত্তীয় আয়-ব্যয়সমূহ অন্তৰ্ভুক্ত কৰা হয়। যিবিলাক আয়-ব্যয় আবৰ্তিত (Recurring) প্ৰকৃতিৰ হয়, তেনে আয়-ব্যয়সমূহ ৰাজহ বাজেটৰ অন্তৰ্ভুক্ত হয়। অন্যহাতেদি মূলধনী সা-সম্পত্তি সংগ্ৰহ আৰু বিক্ৰীৰ মাধ্যমত চৰকাৰে সংগ্ৰহ কৰা আয়-ব্যয়সমূহ মূলধনী বাজেটৰ অন্তৰ্ভুক্ত হয়।

ৰাজহ বাজেটত চৰকাৰৰ চলিত আয়-ব্যয়সমূহ অন্তৰ্ভুক্ত হয়। চলিত আয়ত কৰ আৰু অনাকৰ ৰাজহসমূহ অন্তৰ্ভুক্ত হয়। চৰকাৰে টকা-পইচাৰ মুদ্ৰণ যন্ত্ৰ, শিক্ষা, গৃহ নিৰ্মাণ ইত্যাদিৰ পৰা আৰু অৰ্থনৈতিক সেৱাসমূহৰ পৰা যি ৰাজহ আৰু লাভ উপাৰ্জন কৰে সেইখিনি চলিত অনাকৰ ৰাজহৰ অন্তৰ্ভুক্ত হয়। কৰ আৰু অনাকৰ ৰাজহৰ পৰা সংগ্ৰহ হোৱা ৰাজহ যিবোৰ ক্ষেত্ৰত ব্যয় কৰে উক্ত সকলো ব্যয় চলিত বা ৰাজহ শিতানৰ ব্যয়ৰ অন্তৰ্ভুক্ত হয়। উল্লেখযোগ্য যে ৰাজহ বাজেটত অন্তৰ্ভুক্ত হোৱা ব্যয়ৰ অধিকাংশ অনা-উন্নয়নমূলক ব্যয়ৰ অন্তৰ্ভুক্ত হয়। অৱশ্যে ৰাজহ বাজেটে অৰ্থনৈতিক উন্নয়নলৈ কোনো বৰঙণি নোযোগায় বুলি ভাবিলে ভুল হ'ব, কাৰণ চৰকাৰে ইয়াৰ উন্নয়নমূলক ব্যয়ৰ কাৰণে প্ৰয়োজন হোৱা পুঁজিৰ এক বুজন অংশ ৰাজহ বাজেটৰ পৰা সংগ্ৰহ কৰে। অৱশ্যে ৰাজহ বাজেটৰ অন্তৰ্ভুক্ত হোৱা আয়ৰ অধিকাংশ প্ৰচলিত ব্যয়সমূহৰ পৰিপূৰণৰ অৰ্থেই নিয়োগ কৰা হয়। ৰাজহ বাজেটত যিবোৰ ব্যয় অন্তৰ্ভুক্ত কৰা হয় উক্ত ব্যয়ৰ শিতানসমূহ হৈছে চৰকাৰী কৰ্মচাৰীৰ দৰ্মহা আৰু বানচ, প্ৰতিৰক্ষা ব্যয়, চৰকাৰী ঋণৰ ওপৰত সুদ প্ৰদানৰ ক্ষেত্ৰত ব্যয় চৰকাৰী খণ্ডত নিত্য-ব্যৱহৃত দ্ৰব্য-সামগ্ৰীৰ ক্ৰয়মূল্য ইত্যাদি উল্লেখযোগ্য। মূলধনী বাজেটত অন্তৰ্ভুক্ত হোৱা আয়সমূহ হৈছে চৰকাৰে বজাৰৰ পৰা সংগ্ৰহ কৰা ঋণ, কেন্দ্ৰীয় বেংকৰ পৰা সংগ্ৰহ কৰা ঋণ, বিদেশী চৰকাৰ আৰু বিত্তীয় প্ৰতিষ্ঠানৰ পৰা সংগ্ৰহ কৰা ঋণ ইত্যাদি। মূলধনী বাজেটৰ ব্যয়ত যিবোৰ বিষয় অন্তৰ্ভুক্ত হয় উক্ত ব্যয়ৰ ভিতৰত উল্লেখযোগ্য হৈছে চৰকাৰৰ নিৰ্মাণৰ ব্যয়, নতুন যন্ত্ৰ-পাতি ক্ৰয়ৰ ক্ষেত্ৰত ব্যয়, অংশপত্ৰ আৰু ঋণপত্ৰত ব্যয় ইত্যাদি। পথ, ৰেলপথ, ঘৰ-দুৱাৰ ইত্যাদি নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰৰ যি ব্যয় হয় উক্ত ব্যয়সমূহ নিৰ্মাণ ব্যয়ৰ অন্তৰ্ভুক্ত হয়।

ৰাজহ বাজেট আৰু মূলধনী বাজেটৰ আয়-ব্যয়ৰ পৰিমাণৰ ভিত্তি এনে বাজেট ৰাহি, ভাৰসাম্য অথবা ঘাটি বাজেটৰ অন্তৰ্ভুক্ত হ'ব পাৰে। ৰাজহ বাজেটত অন্তৰ্ভুক্ত হোৱা আয়তকৈ যদি ব্যয়ৰ পৰিমাণ অধিক হয় তেতিয়া তাক ঘাটি ৰাজহ বাজেট বুলি কোৱা

হয়। আয়-ব্যয়ৰ পৰিমাণ সমান হ'লে তাক ভাৰসাম্য ৰাজহ বাজেট আৰু ব্যয়তকৈ আয়ৰ পৰিমাণ অধিক হ'লে তাক ৰাহি ৰাজহ বাজেট আখ্যা দিয়া হয়। একেটা প্ৰক্ৰিয়াৰে মূলধনী বাজেটত অন্তৰ্ভুক্ত হোৱা আয়-ব্যয়ৰ ভিত্তিত এনে বাজেট ঘাটি বাজেটৰ অন্তৰ্ভুক্ত নে ৰাহি বাজেটৰ অন্তৰ্ভুক্ত সেইটো নিৰ্ণয় কৰা হয়। ৰাজহ বাজেট আৰু মূলধনী বাজেটৰ মুঠ আয়-ব্যয়ৰ ভিত্তিত মুঠ বাজেট ঘাটি বা ৰাহিৰ পৰিমাণ নিৰ্ণয় কৰা হয়।

চৰকাৰী বাজেটক ৰাজহ বাজেট আৰু মূলধনী বাজেট হিচাপে ভাগ কৰাৰ সপক্ষে কেইটামান সবল যুক্তি প্ৰদৰ্শন কৰা হয়। প্ৰথমতে ৰাজহ বাজেট আৰু মূলধনী বাজেটৰ বিভাজনৰ ব্যৱস্থাই চৰকাৰী ব্যয়ৰ ওপৰত দেশৰ সংসদ অথবা ৰাজ্যিক বিধানসভাৰ দ্বাৰা উপযুক্ত নিয়ন্ত্ৰণ আৰোপ কৰাৰ ক্ষেত্ৰত সহায় কৰে। দ্বিতীয়তে চৰকাৰৰ নিয়মীয়া প্ৰশাসনিক কাম-কাজসমূহ আৰু সম্পদ সৃষ্টি আৰু পৰিচালনাৰ কাম-কাজসমূহৰ মাজত পাৰ্থক্য বিচাৰ কৰাৰ ক্ষেত্ৰটো বাজেটৰ এনে শ্ৰেণীবিভাজনে সহায় কৰে। তৃতীয়তে বাজেটক ৰাজহ বাজেট আৰু মূলধনী বাজেট হিচাপে বিভাজন কৰাৰ ব্যৱস্থাই দেশৰ অৰ্থনৈতিক কাম-কাজৰ ওপৰত চৰকাৰী আয়-ব্যয়ৰ পৰিণামৰ বিষয়ে বিশ্লেষণ কৰাৰ ক্ষেত্ৰতো সহায় কৰে। চতুৰ্থতে বাজেটৰ এনে শ্ৰেণীবিভাজনে চলিত উপভোগ কাৰ্য, মূলধন গঠন আৰু মূলসূচী পৰিৱৰ্তনৰ দৰে বিষয়সমূহৰ ওপৰত জ্ঞান আহৰণৰ ক্ষেত্ৰতো সহায় কৰে।

ভাৰতবৰ্ষৰ সংবিধানে বাজেট প্ৰস্তুতকৰণৰ অৰ্থে যি ব্যৱস্থা দিছে উক্ত ব্যৱস্থাত ৰাজহ বাজেট আৰু মূলধনী বাজেট গঠনৰ বিষয়ে স্পষ্টভাৱে নিৰ্দেশ আছে। এনে কাৰণত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহে প্ৰস্তুত কৰা বাজেটসমূহক ৰাজহ শিতান আৰু মূলধনী শিতান পৃথকভাৱে দেখুওৱা হয়। অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ ৰাজহ আৰু মূলধনী বাজেটৰ লগত ৰাজ্যিক চৰকাৰৰ ৰাজহ আৰু মূলধনী বাজেটৰ যথেষ্ট পাৰ্থক্য আছে। ৰাজ্যিক চৰকাৰৰ উপাৰ্জনৰ উৎস আৰু কেন্দ্ৰীয় চৰকাৰৰ উপাৰ্জনৰ উৎস একে নহয়। কেন্দ্ৰীয় চৰকাৰে যিবোৰ কৰৰ পৰা ৰাজহ সংগ্ৰহ কৰে উক্ত কৰসমূহৰ পৰা ৰাজ্যিক চৰকাৰসমূহে ৰাজহ সংগ্ৰহ নকৰে। ইয়াৰোপৰি ৰাজ্যিক চৰকাৰে বিদেশৰ পৰা ঋণ সংগ্ৰহ আৰু টকা-পইচা মুদ্ৰণ যন্ত্ৰৰ পৰা কোনো উপাৰ্জন কৰিব নোৱাৰে। ইয়াৰ পৰিৱৰ্তে ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ আৰু অনুদান-সাহায্য (Grants in Aids) লাভ কৰে।

ৰাজহ বাজেট আৰু মূলধনী বাজেটৰ অন্তৰ্ভুক্ত হোৱা বিষয়সমূহৰ পৰা এইটো স্পষ্ট হয় যে ৰাজহ বাজেটৰ প্ৰধান উদ্দেশ্য হৈছে চৰকাৰৰ চলিত কাম-কাজসমূহ সম্পাদন আৰু মূলধনী বাজেটৰ প্ৰধান উদ্দেশ্য হৈছে উন্নয়নমূলক কাম-কাজসমূহ সম্পাদন। প্ৰকৃতপক্ষে ক'বলৈ গ'লে মূলধনী বাজেটক অৰ্থনৈতিক উন্নয়নৰ অৰ্থে গ্ৰহণ কৰা এটা ৰাজকোষীয় প্ৰক্ৰিয়া হিচাপে স্বীকৃতি দিয়া হৈছে। উন্নয়ন আৰু পৰিকল্পনা হৈছে এক দীৰ্ঘম্যাদী পৰিকল্পনা। ভাৰতবৰ্ষত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ উদ্দেশ্যসমূহৰ লগত সংগতি ৰাখি মূলধনী বাজেট প্ৰস্তুত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। ভাৰতবৰ্ষৰ বাৰ্ষিক বাজেটত ৰাজহ বাজেটৰ লগতে মূলধনী বাজেট সংসদ আৰু ৰাজ্যিক বিধানসভাৰ অনুমোদনৰ অৰ্থে দাখিল কৰাৰ ব্যৱস্থা প্ৰচলিত আছে।

**২। পৰম্পৰাগত আৰু নগদ বাজেট (Conventional and Cash Budget) ঃ** বাজেটক পৰম্পৰাগত আৰু নগদ বাজেট হিচাপেও শ্ৰেণীবিভাজন কৰা হয়। পৰম্পৰাগত বাজেট প্ৰশাসনিক বাজেট নামেৰেও পৰিচিত। এনে বাজেটত কিছুমান আঁচনিৰ ভিত্তিত এলানি

হিচাপ গঠন কৰা হয় আৰু উক্ত হিচাপৰ ক্ষেত্ৰত যি পুঁজিৰ প্ৰয়োজন হয় উক্ত পুঁজি পৰম্পৰাগত প্ৰক্ৰিয়া কৰৰ মাধ্যমত সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হয়। পৰম্পৰাগত বাজেটৰ কেইটামান ত্ৰুটি পৰিলক্ষিত হয়। প্ৰথমতে এনে বাজেটে চৰকাৰৰ বিত্তীয় কাম-কাজৰ এখন পূৰ্ণাংগ ছবি দাঙি ধৰিব নোৱাৰে। দ্বিতীয়তে এনে বাজেটত যিবোৰ পুঁজি চৰকাৰী পুঁজিৰ অন্তৰ্ভুক্ত নহয় তেনে পুঁজিসমূহ বাজেট বহিৰ্ভূত হিচাপে গণ্য কৰাৰ কাৰণে উক্ত পুঁজিসমূহৰ দেশৰ অৰ্থনৈতিক কাম-কাজসমূহৰ ওপৰত পৰিণামৰ বিষয়ে মূল্যাংকন কৰা নহয়। তৃতীয়তে পৰম্পৰাগত বাজেটত এনে কিছুমান বিষয় অন্তৰ্ভুক্ত হয় যিবোৰৰ মাজত তুলনা বছৰৰ পাছত বছৰ কৰাতো সম্ভৱপৰ নহয়।

অন্যহাতেদি নগদ বাজেটত চৰকাৰৰ পৰা আহৰণ কৰা সকলো নগদ আয় আৰু চৰকাৰক দিবলগীয়া সকলো নগদ দেনা অন্তৰ্ভুক্ত হয়। এনে বাজেটত চৰকাৰৰ স্বত্বাধিকাৰ থকা আৰু স্বত্বাধিকাৰবিহীন সকলো পুঁজিয়েই অন্তৰ্ভুক্ত হয়। প্ৰশাসনিক বাজেটৰ তুলনাত নগদ বাজেট অধিক বিস্তৃত হয়। পুঁজিৰ প্ৰবাহৰ বিষয়ে এনে বাজেটে এখন পূৰ্ণাংগ ছবি দাঙি ধৰে। উদাহৰণস্বৰূপে আমেৰিকা যুক্তৰাষ্ট্ৰত যি নগদ বাজেট প্ৰস্তুতৰ ব্যৱস্থা প্ৰচলন আছে উক্ত ব্যৱস্থাৰ মাধ্যমত সমুদায় অৰ্থনীতিত পুঁজিৰ প্ৰবাহৰ বিষয়টো প্ৰতিফলিত হয়।

**৩। কাৰ্যপালিকা আৰু বিধান পৰিষদীয় বাজেট (Executive Budget and Legislative Budget) ঃ** বাজেটক কাৰ্যপালিকাৰ বাজেট আৰু বিধান পৰিষদীয় বাজেট হিচাপেও ভাগ কৰা হয়। বাজেটৰ এনে শ্ৰেণীবিভাজনৰ ভিত্তি হৈছে বাজেট প্ৰস্তুত আৰু প্ৰণয়নৰ দায়িত্বত থকা অনুষ্ঠানৰ পাৰ্থক্য। যেতিয়া এখন চৰকাৰৰ কাৰ্যপালিকাই বাজেট প্ৰস্তুত কৰে তেতিয়া তাক কাৰ্যপালিকাৰ বাজেট বুলি কোৱা হয়। অৱশ্যে এইটো উল্লেখযোগ্য যে কাৰ্যপালিকাই প্ৰস্তুত কৰা বাজেটে সংসদৰ অনুমোদন লাভ কৰিলেহে বাজেটৰ আঁচনিসমূহ ৰূপায়ণ কৰিব পৰা যায়। কাৰ্যপালিকাৰ বাজেট অনুমোদন আৰু ৰূপায়ণৰ প্ৰধান দায়িত্ব দেশৰ চৰকাৰ বা কাৰ্যপালিকাৰ ওপৰত অৰ্পণ কৰা হয়। অন্যহাতেদি সংসদী বা বিধান পৰিষদীয় বাজেট প্ৰত্যক্ষভাৱে সংসদে প্ৰস্তুত আৰু প্ৰণয়ন কৰিব পাৰে অথবা সংসদে গঠন কৰা কোনো সমিতিয়েও এনে দায়িত্ব বহন কৰিব পাৰে।

সংসদী বা বিধান পৰিষদীয় বাজেটৰ তুলনাত কাৰ্যপালিকাই প্ৰস্তুত আৰু প্ৰণয়ন কৰা বাজেটক উত্তম বাজেট হিচাপে বিবেচনা কৰা হয়। কাৰণ কাৰ্যপালিকাই সংসদৰ তুলনাত চৰকাৰৰ আয়-ব্যয়ৰ বিষয়ে অধিক দক্ষতাপূৰ্ণভাৱে হিচাপ কৰিব পাৰে। ইয়াৰোপৰি কাৰ্যপালিকাই যিহেতু নিজেই বাজেট প্ৰস্তুত কৰে সেইকাৰণে বিত্তীয় অনিয়মীয়তাখিনি ৰোধ কৰাৰ দায়িত্ব তেৱেঁই বহন কৰিবলগীয়া হয়। কাৰ্যপালিকাই বাজেটৰ লক্ষ্যসমূহ পৰিপূৰণৰ অৰ্থেও যথোচিত ব্যৱস্থা গ্ৰহণত অগ্ৰাধিকাৰ দিবলৈ বাধ্য হয়।

**৪। একত্ৰ আৰু একাধিক বাজেট (Unified and Multiple Budget) ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰত চৰকাৰী বাজেটে কেইবাটাও অংশ দাখিল কৰাৰ পৰম্পৰা আছে। যেতিয়া চৰকাৰে বাজেট কেইবাটাও অংশত দাখিল কৰা হয় তাকেই একাধিক বাজেট বুলি কোৱা হয়। বাজেটক বিভিন্ন অংশত ভাগ কৰাৰ প্ৰধান উদ্দেশ্য হৈছে ইয়াৰ উপযুক্ত মূল্যাংকন। এনে বাজেটত প্ৰতিটো অংশৰ মূল্যাংকনৰ ভিত্তিত চৰকাৰৰ বিশেষ

কাম-কাজসমূহৰ প্ৰগতিৰ খতিয়ান দাঙি ধৰাটো সহজ হয়। অৱশ্যে সাম্প্ৰতিক কালত আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুক্তৰাষ্ট্ৰীয় বাজেটত প্ৰশাসনিক বাজেট, ৰাষ্ট্ৰীয় আয়ৰ হিচাপৰ বাজেট ইত্যাদি অন্তৰ্ভুক্ত হৈ আছে। অৱশ্যে সাম্প্ৰতিক কালছোৱাত বাজেট একত্ৰীকৰণৰ ব্যৱস্থাটোৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰা হৈছে। একত্ৰ বাজেটত একাধিক বাজেটৰ দৰে বিভিন্ন অংশত ভাগ কৰা নহয়। এখন দেশৰ চৰকাৰে গ্ৰহণ কৰা ৰাজকোষীয় কাম-কাজসমূহৰ দ্বাৰা দেশৰ অৰ্থনীতি কিমানদূৰ উপকৃত হৈছে সেইবিষয়ে তথ্য-পাতি আহৰণ কৰিবৰ অৰ্থে একাধিক বাজেটৰ তুলনাত একত্ৰ বাজেট অধিক উপযোগী হিচাপে স্বীকৃতি লাভ কৰিছে।

**বাজেটৰ অৰ্থনৈতিক আৰু ক্ৰিয়াগত শ্ৰেণীবিভাজন (Economic and Func-**